**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2025 TIME-1910 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০

১। সামুদ্ৰিক ক্ষেত্ৰ, দেশৰ বিকাশৰ চালিকাশক্তি ৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। নিৰ্বাচন আয়োগে জনসাধাৰণৰ সকলো ধৰণৰ প্ৰশ্ন আৰু ওজৰ-আপত্তিৰ নিষ্পত্তিৰ বাবে ৰাষ্ট্ৰীয় ভোটদাতা হেল্পলাইন সক্ৰিয় কৰি তুলিছে।

৩। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিষয়ক ইউৰোপীয় সংসদীয় কমিটীৰ এটা প্ৰতিনিধি দলে আজি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰে।

৪। কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি নতুন দিল্লীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বাণিজ্যিক কয়লা খনি চতুৰ্দশ পৰ্যায় মুকলি কৰে।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক জয়ৰ বাবে ৩২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০

সামুদ্ৰিক ক্ষেত্ৰ, দেশৰ বিকাশৰ চালিকাশক্তি ৰূপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। মুম্বাইত আয়োজিত ভাৰত সামুদ্ৰিক সপ্তাহ ২০২৫ৰ অধীনৰ এখন সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে বিগত এটা দশকত এই ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন হৈছে আৰু ব্যৱসায় তথা বন্দৰ আন্তঃগাঁথনিৰ প্ৰসাৰ ঘটিছে। ভাৰতৰ সামুদ্ৰিক খণ্ডৰ ক্ষীপ্ৰ গতি আৰু শক্তিৰে আগবাঢ়িছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ বন্দৰসমূহ বিকাশশীল ৰাষ্ট্ৰসমূহৰ আটাইতকৈ দক্ষ বন্দৰৰূপে পৰিগণিত হৈছে। তেওঁ কয় যে কেইবাটাও দিশত এই বন্দৰসমূহে উন্নত দেশতকৈও ভাল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে।

শ্ৰীমোদীয়ে কয় যে গোলকীয় উত্তেজনা, বাণিজ্যিক বাধা আৰু পৰিৱৰ্তিত যোগান শৃংখলাৰ মাজত ভাৰত কৌশলগত স্বতন্ত্ৰতা শান্তি আৰু সৰ্বাত্মক বিকাশৰ প্ৰতীক হৈ উঠিছে। তেওঁ কয় যে যেতিয়া বিশ্বৰ সমুদ্ৰৰাশি অশান্ত হৈ পৰে তেতিয়া বিশ্ব স্থিৰ আলোকস্তম্ভ অন্বেষণত ব্ৰতী হয়। ভাৰত শক্তি আৰু সুস্থিৰতাৰ সৈতে এই ভূমিকা পালন কৰিবলৈ সম্পূৰ্ণৰূপে সাজু বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতে জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত নতুন শিখৰত উপনীত হোৱাৰ বাবে প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে। তেওঁ কয় যে তেওঁলোকে সম্প্ৰতি বৃহৎ জাহাজৰ আন্তঃগাঁথনি সম্পদৰ স্বীকৃতি লাভ কৰিছে। ভাৰতৰ নৌ পৰিবহন খণ্ডত কাম কৰা আৰু সম্প্ৰসাৰণৰ এয়া সঠিক সময় বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে শতিকা পুৰণি ঔপনিবেশিক নৌ পৰিবহন আইনসমূহৰ ঠাইত একবিংশ শতিকাৰ বাবে অনুকূল ভৱিষ্যমুখী আইন প্ৰৱৰ্তন কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে জনসাধাৰণৰ সকলো ধৰণৰ প্ৰশ্ন আৰু ওজৰ-আপত্তিৰ নিষ্পত্তিৰ বাবে ৰাষ্ট্ৰীয় ভোটদাতা হেল্পলাইন আৰু ৰাজ্যিক পৰ্যায়ৰ ৩৬টা আৰু জিলা পৰ্যায়ৰ সকলো হেল্পলাইন সক্ৰিয় কৰি

তুলিছে। ৰাষ্ট্ৰীয় যোগাযোগ কেন্দ্ৰই সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বাবে কেন্দ্ৰীয় হেল্পলাইন হিচাপে কাম কৰিব। এই কেন্দ্ৰই পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ শুল্কবিহীন নম্বৰ ১৮০০-১১-১৯৫০ৰ জৰিয়তে ওজৰ-আপত্তি নিষ্পত্তিৰ ব্যৱস্থা কৰিব। নিৰ্বাচন আয়োগে প্ৰতিখন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু জিলাক নিজৰ নিজৰ ৰাজ্য আৰু জিলা যোগাযোগ কেন্দ্ৰ স্থাপন কৰিবলৈ নিৰ্দেশ দিছে। আয়োগে বি এল অ'ৰ সৈতে **বুক এ কল** সুবিধাও আৰম্ভ কৰিছে। নাগৰিকসকলে এই সুবিধাৰ জৰিয়তে সংশ্লিষ্ট বুথ লেভেল বিষয়াৰ সৈতে সম্পৰ্ক কৰিব পাৰিব। এই সুবিধা নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি নিষ্পত্তিৰ বৰ্তমানৰ ব্যৱস্থাৰ ওপৰঞ্চি হ'ব। জনসাধাৰণে ইমেইলযোগে COMPLAINTS@ECI.GOV.INলৈ অভিযোগ প্ৰেৰণ কৰিব পাৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। এই ভ্ৰমণকালত শ্ৰী মোদীয়ে কাইলৈ কেৱড়িয়াৰ একটা নগৰত এহেজাৰ ১৪০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান আন্তঃগাঠনি আৰু উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিলগীয়া প্ৰকল্পসমূহৰ ৰাজপিপলাৰ  ভিতৰত বিৰছা মুণ্ডা জনজাতীয় বিশ্ববিদ্যালয়, ৰামন বৃক্ষ বাতিকা, বৈদ্যুতিক বাছ  চাৰ্জিং ডিপো আৰু ২৫খন বৈদ্যুতিক বাছৰ সেৱা অন্যতম। ইয়াৰ উপৰিও শ্ৰীমোদীয়ে ভাৰতৰ ৰাজকীয় সংগ্ৰহালয়, ক্ৰীড়া চৌহদ, শুলপানেশ্বৰ ঘাটৰ সমীপত অৱতৰণ সেতুৰ উন্নয়ন আৰু একতাৰ প্ৰতিমূৰ্তিত ট্ৰেভেলেতৰ অৰ্থাৎ ঘূৰ্ণিয়মান পথসহ ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

শুকুৰবাৰে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় একতা দিৱস উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে নেতাগৰাকীৰ প্ৰতি পুষ্পাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে একতা দিৱসৰ সংকল্প আৰু কুজ-কাৱাজতো ভাগ ল'ব। এইবেলি একতা দিৱসৰ কুজ-কাৱাজৰ মুখ্য আকৰ্ষণ সীমা সুৰক্ষা বাহিনীৰ মাৰ্চিং দল হ'ব। এই দলত ৰামপুৰ হাউণ্ড আৰু মুঢল হাউণ্ডছৰ দৰে ভাৰতীয় প্ৰজাতিৰ কুকুৰ অন্তৰ্ভুক্ত হ'ব।

০০০০০

ৰিয়াধত থকা ভাৰতীয় দূতাবাসে ভাৰতৰ বৰ্ণিল সংস্কৃতিক বিশ্ব দৰবাৰত আগবঢ়াই নিয়াৰ উদ্দেশ্যেৰে ২০২৩ চনৰ পৰা প্ৰবাসী পৰিচয় নামৰ অনুষ্ঠানৰ আয়োজন কৰি আহিছে। এই বছৰৰ প্ৰবাসী পৰিচয় অনুষ্ঠান কালিৰে পৰা ৩ নৱেম্বৰলৈ চৌদি আৰৱত অনুষ্ঠিত কৰা হৈছে। এই অনুষ্ঠানত প্ৰবাসী ভাৰতীয় সংস্থাসমূহে শাস্ত্ৰীয় নৃত্য, সংগীত, লোককলা আৰু পৰম্পৰাগত ৰন্ধন প্ৰণালী প্ৰদৰ্শন কৰিব। কালি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত হিন্দী চিনেমা জগতৰ বহুকেইগৰাকী সংগীত শিল্পীয়ে বহুতো কালজয়ী গীত পৰিবেশন কৰে। এই সংগীতানুষ্ঠানৰ সমান্তৰালভাৱে অনুষ্ঠিত হোৱা চিত্ৰ প্ৰদৰ্শনীত ভাৰতৰ বিভিন্ন সম্প্ৰদায়ৰ মহিলা শিল্পীয়ে ২০খন আটকধুনীয়া চিত্ৰ প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে প্ৰতি বছৰে অক্টোবৰ মাহৰ ৩১ তাৰিখে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। অনৈক্যৰ মাজত ঐক্যৰ উদ্দেশ্যেৰে আয়োজন কৰা এই দিৱসে প্ৰবাসী পৰিচয় অনুষ্ঠানৰ সৈতে একত্ৰিত হৈ ভাৰতৰ বিচিত্ৰ সংস্কৃতি বিশ্ব দৰবাৰত আগবঢ়াই নিয়াৰ লগতে একতাৰ ভাৱ গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ লগত সংগতি ৰাখি সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ্ব শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিবৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। এই প্ৰদৰ্শনীত দেশ-বিদেশত থকা আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বিষয়ক ইউৰোপীয় সংসদীয় কমিটীৰ এটা প্ৰতিনিধি দলে আজি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে তেওঁলোকে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত পাৰস্পৰিক সমন্বয় বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। তেওঁ কয়, যে ইয়াৰ ফলত গোলকীয় অৰ্থব্যৱস্থালৈ স্থিৰতা আহিব আৰু গণতান্ত্ৰিক শক্তিসমূহ সুদৃঢ় হৈ উঠিব। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তি সম্পাদনাই এই উদ্দেশ্যসমূহৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি নতুন দিল্লীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বাণিজ্যিক কয়লা খনি চতুৰ্দশ পৰ্যায় মুকলি কৰে। এই উপলক্ষে শ্ৰীৰেড্ডীয়ে কয়, যে ব্যৱসায় সুগম কৰি তোলা, বিভিন্ন ক্ষেত্ৰৰ বাবে বিনিয়োগ আকৰ্ষণ কৰা আৰু উদ্যোগ জগতৰ ব্যাপক অংশগ্ৰহণত উদগণি যোগোৱাই এই নিলামৰ মূল উদ্দেশ্য। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰথমবাৰৰ বাবে কয়লা আৰু খনি মন্ত্ৰালয়ে নিলামৰ পৰিকাঠামোৰ অধীনত ভূমিগত কয়লা গেছীয়কৰণৰ ব্যৱস্থা কৰিছে। তেওঁ লগতে কয়লা শক্তি ডেচবোৰ্ডৰো শুভাৰম্ভ কৰে। এই ব্যৱস্থা খনিৰ পৰা বজাৰলৈ কয়লাৰ যোগান শৃংখলাৰ ওপৰত নজৰ ৰখাৰ বাবে সহজ ইণ্টাৰফেচ প্ৰদান কৰিব। বাস্তৱিক সময়ৰ তথ্য বিনিময়ৰ জৰিয়তে কয়লা কোম্পানীত বন্দৰ, ৰে'লৰে আৰু শেষৰগৰাকী ব্যৱহাৰকাৰীৰ মাজত সমন্বয় উন্নত কৰাই ইয়াৰ মূল উদ্দেশ্য। অনুষ্ঠানত ৰাজহুৱা খণ্ডৰ কয়লা গোটসমূহৰ ভূমি অধিগ্ৰহণ, ক্ষতিপূৰণ আৰু পুনৰ্বাসন প্ৰক্ৰিয়াক ডিজিটেল ৰূপ প্ৰদানৰ উদ্দেশ্যে কয়লা ভূমি অধিগ্ৰহণ ব্যৱস্থাপনা আৰু ধনাদায় পোৰ্টেল ক্লেম্পও মুকলি কৰে।

০০০০০

বিশ্ব ষ্ট্ৰোক দিৱস উপলক্ষে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কয়, যে এই দিৱসে হৃদযন্ত্ৰৰ বিভিন্ন ৰোগ সম্পৰ্কে সজাগ হ'বৰ বাবে সুযোগ প্ৰদান কৰাৰ লগতে প্ৰতিদিনে সুস্থ জীৱনশৈলীৰে জীয়াই থকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে মন্ত্ৰীগৰাকীয়ে কয়, যে ষ্ট্ৰোকৰ জৰিয়তে হঠাতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ এজন ব্যক্তি মৃত্যুমুখত পৰিব পাৰে। কিন্তু, জীৱনশৈলীত অনা সৰু-সুৰা অথচ সুসংগত পৰিৱৰ্তনে এই আশংকা বহুলাংশে হ্ৰাস কৰিব পাৰে। তেওঁ লগতে এই পৰিৱৰ্তনসমূহৰ জৰিয়তে স্বাস্থ্যক প্ৰাথমিকতা দিবৰ বাবে সকলোলৈ আহ্বান জনায়।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই ইংলেণ্ডক জয়ৰ বাবে ৩২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৭টা উইকেট হেৰুৱাই ৩১৯ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ অধিনায়ক লওৰা ওলভাৰ্ডটে সৰ্বাধিক ১৬৯ ৰান কৰাৰ লগতে তাজমিন ব্ৰিট্ছে ৪৫ ৰান কৰে। ইংলেণ্ডৰ ছফি এক্লেষ্টনে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে লৰেন বেলে দুটা আৰু নাট চিভাৰ ব্ৰাণ্টে এটা উইকেট লাভ কৰে।

০০০০০

সমাপ্ত